**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 14-06-2026**
**Time : 1910 PM**

# ASSAMESE EVENING BULLETIN

:::::::::::::::::::::::::::::::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই ফ্ৰান্সৰ নাইচত ঐতিহাসিক ভিলা কেৰিল'ছত প্ৰতিনিধি পৰ্যায়ৰ আলোচোনাত অংশগ্ৰহণ কৰে।

২। কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে সমাজ আৰু বিজ্ঞানৰ মাজত সম্পৰ্ক উন্নীত হোৱাটো শেহতীয়া বছৰসমূহত হোৱা আটাইতকৈ উল্লেখযোগ্য অগ্ৰগতি বুলি মন্তব্য কৰে।

৩। আমেৰিকা আৰু ইজৰাইলৰ সৈতে সংঘাত নিৰ্মূলৰ লক্ষ্যৰে প্ৰস্তাৱিত বুজাবুজিৰ চুক্তি সন্দৰ্ভত ইৰানে এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা নাই বুলি প্ৰকাশ কৰিছে।

৪। মহিলাৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পাকিস্তানৰ বিৰুদ্ধে হোৱা এখন খেলত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়।

*আৰু*

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা আমেৰিকাৰ হিউষ্টনত গ্ৰুপ-ইৰ এখন খেলত জাৰ্মানী, কুৰাকাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ই ফ্ৰান্সৰ নাইচত ঐতিহাসিক ভিলা কেৰিল'ছত প্ৰতিনিধি পৰ্যায়ৰ আলোচোনাত অংশগ্ৰহণ কৰে। এই আলোচনাত দুয়োখন দেশৰ মাজত বাণিজ্য, প্ৰযুক্তি, প্ৰতিৰক্ষাকে ধৰি বিশেষ গোলকীয় কৌশলগত মিত্ৰতা সম্প্ৰসাৰিত কৰা সন্দৰ্ভত আলোচনা কৰা হয়। ইয়াৰ পূৰ্বে দুয়োগৰাকী নেতাই যুটীয়াভাৱে আজি ফ্ৰান্সৰ নাইচত পালাইছ ডেচ এক্সপ'জিচনছত ভাৰত ইনোভেটছ কাৰ্যসূচী মুকলি কৰে। এই উল্লেখযোগ্য পদক্ষেপৰ জৰিয়তে ষ্টাৰ্টআপ পৰিবেশতন্ত্ৰ আৰু অন্বেষণ সম্প্ৰসাৰণ কৰাত ভাৰতৰ ক্ষীপ্ৰ অগ্ৰগতি প্ৰতিফলিত হৈছে। ভাৰত-ফ্ৰান্স উদ্ভাৱনী বৰ্ষৰ অধীনত আয়োজিত এই ধ্বজাবাহী কাৰ্যসূচীৰ জৰিয়তে বিশ্বৰ বিভিন্ন প্ৰান্তৰ আগশাৰীৰ প্ৰতিষ্ঠান, প্ৰযুক্তি আৰু বিনিয়োগ খণ্ডৰ কৰ্ণধাৰ তথা শতাধিক ষ্টাৰ্টআপক একেখন মঞ্চত মত-বিনিময় কৰাৰ সুযোগ দিয়া হৈছে। তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই অনুষ্ঠানত ১২০টা বিশেষ ষ্টাৰ্টআপ তথা আন্তৰ্জাতিক গুৰুত্ব থকা ১৩টা গুৰুত্বপূৰ্ণ প্ৰযুক্তিৰ ক্ষেত্ৰত ২০টাতকৈও অধিক উৎকৰ্ষ প্ৰতিষ্ঠান উজলি উঠে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ ৩৫০টাতকৈও অধিক শীৰ্ষস্থানৰ বিনিয়োগকাৰী সংস্থাই এই অনুষ্ঠানত অংশগ্ৰহণ কৰে।

এই কাৰ্যসূচীত জৈৱ-প্ৰযুক্তি, স্বচ্ছ শক্তি, মহাকাশ প্ৰযুক্তি, কোৱাণ্টাম প্ৰযুক্তি, কৃত্ৰিম বুদ্ধিমত্তা, ছেমি কণ্ডাক্টৰ, কম্পিউটাৰ খণ্ডৰ শেহতীয়া অগ্ৰগতিকে ধৰি ১৩টা মুখ্য খণ্ডৰ বিভিন্ন গুৰুত্বপূৰ্ণ উদ্ভাৱনক আলোকপাত কৰা হৈছে। অনুষ্ঠানত ভাষণ দি প্ৰধামন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে ভাৰত ইনোভেটছ কাৰ্যসূচীৰ জৰিয়তে দেশৰ প্ৰতিভা আৰু ইউৰোপীয় মূলধনৰ মাজৰ অন্তৰায় আঁতৰ হৈছে। তদুপৰি এই কাৰ্যসূচীয়ে যুৱ

উদ্ভাৱকসকলৰ বাবে নতুন সুযোগৰ সৃষ্টি কৰি তেওঁলোকক আন্তৰ্জাতিক পৰ্যায়ৰ সংস্পৰ্শলৈ অনাৰ সুবিধা দিছে। দেশৰ ষ্টাৰ্টআপ বিপ্লৱৰ ওপৰত আলোকপাত কৰি শ্ৰীমোদীয়ে কয় যে কৃত্ৰিম বুদ্ধিমত্তাৰ পৰা আৰম্ভ কৰি মহাকাশ প্ৰযুক্তিলৈ তথা সেউজ শক্তিৰ পৰা আৰম্ভ কৰি নিৰ্মাণ খণ্ডৰ শেহতীয়া অগ্ৰগতিলৈ বিভিন্ন ক্ষেত্ৰৰ অন্তৰায়সমূহ আঁতৰ কৰাৰ বাবে দেশৰ যুৱশক্তিয়ে প্ৰয়াস অব্যাহত ৰাখিছে। দেশত ২ লক্ষাধিক ষ্টাৰ্টআপ থকাৰ কথা প্ৰকাশ কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে কয় যে মানৱতাৰ বাবে প্ৰযুক্তি ব্যৱহাৰ কৰি মানৱকেন্দ্ৰিক উদ্ভাৱনৰ আদৰ্শ বিকশাই তোলাত গুৰুত্ব আৰোপ কৰা হৈছে। ভাৰত আৰু ফ্ৰান্সৰ মিত্ৰতা সন্দৰ্ভত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে বিভিন্ন দেশৰ মাজত বাণিজ্য আৰু কৌশলগত সহযোগিতা থকাৰ বিপৰীতে অতি কম সংখ্যক দেশৰ মিত্ৰতাহে উমৈহতীয়া স্বাৰ্থ আৰু দৃষ্টিভঙ্গীৰ আদৰ্শেৰে ত্বৰান্বিত হয়। তেওঁ ফ্ৰান্স আৰু ভাৰতৰ মিত্ৰতাকো এনে মিত্ৰতা বুলি অভিহিত কৰি কয় যে এই মিত্ৰতা উমৈহতীয়া বিশ্বাস, প্ৰমূল্য আৰু ভৱিষ্যমুখী দৃষ্টিভংগীৰ জৰিয়তে দৃঢ় হৈ আছে। তেওঁ কয় যে ভৱিষ্যত গঢ়ি তোলাৰ লগতে দেশৰ পৰিৱৰ্তন ত্বৰান্বিত কৰাত উদ্ভাৱন, প্ৰযুক্তিৰ আৰু দেশৰ যুৱচামৰ অভিলাষে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অনুষ্ঠানত ভাষণ দি ফ্ৰান্সৰ ৰাষ্ট্ৰপতি মেক্ৰ'ৰে আন্তঃৰাষ্ট্ৰীয় উদ্ভাৱনী কেন্দ্ৰ হিচাপে ভাৰতৰ অগ্ৰগতিৰ প্ৰশংসা কৰে। তেওঁ ভাৰতৰ অভিযান্ত্ৰিক খণ্ডৰ প্ৰতিভাৰ ওপৰত আলোকপাত কৰি চন্দ্ৰযান অভিযানৰ প্ৰশংসা কৰে। ভাৰত ইনোভেটছ্ কাৰ্যসূচীয়ে ভাৰতৰ উদ্ভাৱনী পৰিবেশতন্ত্ৰ আৰু ফ্ৰান্সৰ অগ্ৰগামী প্ৰযুক্তি প্ৰেক্ষাপটৰ মাজৰ সমন্বয় ৰক্ষা কৰা বুলি তেওঁ প্ৰকাশ কৰে। ভাৰতৰ বাহিৰত এই কাৰ্যসূচীৰ প্ৰথম সংস্কৰণ আয়োজন কৰিবলৈ পাই ফ্ৰান্স সন্মানিত হোৱা বুলি তেওঁ মত প্ৰকাশ কৰে।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ুষ গোৱেল, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল, মুখ্য বৈজ্ঞানিক উপদেষ্টা অজয় কুমাৰ সুদ, ইনফোছিছৰ প্ৰতিষ্ঠাপক নাৰায়ণ মূৰ্তিকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰে।

০০০০

কেন্দ্ৰীয় মন্ত্ৰী ড০ জিতেন্দ্ৰ সিঙে আজি কয় যে দেশৰ মহাকাশ অৰ্থনীতি পৰৱৰ্তী দশকত বৰ্তমানৰ ৮০০-৯০০ কোটি আমেৰিকান ডলাৰৰ পৰা ৪০০০-৪৫০০ কোটি আমেৰিকান ডলাৰলৈ উন্নীত হোৱাৰ বাবে সাজু হৈছে। নতুন দিল্লীত এখন সংবাদমেলত সম্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে নীতি সংস্কাৰ, বৰ্ধিত ব্যক্তিগত অংশগ্ৰহণ তথা দ্ৰুতভাৱে সম্প্ৰসাৰিত উদ্ভাৱনী পৰিবেশতন্ত্ৰৰ জৰিয়তে এই অগ্ৰগতি সম্ভৱ হৈ উঠিছে। ড০ সিঙে কয় যে দেশৰ মহাকাশ খণ্ডৰ এই প্ৰগতিয়ে দেশজুৰি হোৱা বৃহৎ পৰিৱৰ্তন প্ৰতিফলিত কৰে। বিজ্ঞান আৰু প্ৰযুক্তিয়ে গৱেষণাগাৰৰ পৰিধি নেওচি ৰাষ্ট্ৰীয় সচেতনতাৰ অংশ হৈ পৰা বুলিও তেওঁ মন্তব্য কৰে। সমাজ আৰু বিজ্ঞানৰ মাজত সম্পৰ্ক উন্নীত হোৱাটো শেহতীয়া বছৰসমূহত হোৱা আটাইতকৈ উল্লেখযোগ্য অগ্ৰগতি বুলিও মন্তব্য কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দিকদৰ্শনত বিজ্ঞান আৰু প্ৰযুক্তি খণ্ডত এই পৰিৱৰ্তন সাধিত হোৱা বুলি তেওঁ মন্তব্য কৰে।

০০০০

শ্ৰম আৰু নিয়োগ ৰাজ্যমন্ত্ৰী শোভা কৰণ্ডলাজেয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশক বিকশিত ভাৰতৰ লক্ষ্যৰ দিশে আগুৱাই নিছে। অন্ধ্ৰ প্ৰদেশৰ তিৰুমালা শ্ৰীভেংকটশ্বৰ মন্দিৰত পূজা-অৰ্চনা আগবঢ়াই মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালৰ ১২ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে তেওঁ এই মন্দিৰ ভ্ৰমণ কৰিছে।

০০০০

ইৰানে আমেৰিকা আৰু ইজৰাইলৰ সৈতে উত্তেজনা দূৰ কৰাৰ লক্ষ্যৰে প্ৰস্তাৱিত বুজাবুজি চুক্তি সন্দৰ্ভত এতিয়াও চূড়ান্ত সিদ্ধান্ত লোৱা নাই বুলি প্ৰকাশ কৰিছে। ইৰাণৰ সংবাদ মাধ্যমে জনোৱা মতে, প্ৰস্তাৱিত চুক্তিখনৰ ওপৰত ৰাজনৈতিক, আইনী আৰু কাৰিকৰী পৰ্যালোচনা এতিয়াও চলি আছে। ইফালে কাটাৰৰ এটা প্ৰতিনিধি দল ইৰাণৰ বিষয়াসকলৰ সৈতে আলোচনাত মিলিত হোৱাৰ লগতে ইৰাণ আৰু আমেৰিকাৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনসৰ বাবে তেহৰাণত উপস্থিত হয় আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ইতিমধ্যে অতি সোনকালে শান্তি চুক্তিত উপনীত হ'ব পৰা যাব বুলি আশা প্ৰকাশ কৰিছে।
অৱশ্যে প্ৰস্তাৱিত চুক্তিক লৈ ইৰাণৰ মাছহাদতো প্ৰতিবাদৰ খবৰ পোৱা গৈছে।

০০০০

ৰাষ্ট্ৰীয় শিক্ষাৰ্থী লেপটপ ২০২৬ৰ অধীনত বিনামূলীয়া লেপটপ বিতৰণৰ বাবে আবেদন পত্ৰ গ্ৰহণ কৰা বুলি ভুৱা প্ৰচাৰ চলোৱা এটা হোৱাটছএপ বাৰ্তাৰ সত্যতা চৰকাৰে খণ্ডন কৰিছে। প্ৰেছ ইনফৰমেশ্যন ব্যুৰো পি আই বিৰ সত্যাসত্য নিৰূপনকাৰী গোটে স্পষ্ট কৰি দিয়ে যে চৰকাৰে এনে ধৰণৰ কোনো আঁচনি ঘোষণা কৰা নাই। এনে ধৰণৰ বাৰ্তাসমূহ সাধাৰণতে ব্যৱহাৰকাৰীৰ বিত্তীয় তথা ব্যক্তিগত তথ্য আহৰণ কৰাৰ উদ্দেশ্যে প্ৰস্তুত কৰা হয়। চৰকাৰে নাগৰিকসকলক এনে ধৰণৰ অপৰিচিত লিংকত ক্লিক নকৰিবলৈ পৰামৰ্শ দি এনে ধৰণৰ বাৰ্তা আনলৈ পঠিওৱাৰ আগতে চৰকাৰী উৎসৰ পৰা সঠিক তথ্য আহৰণ কৰিবলৈ আহ্বান জনাইছে।

০০০০

আই এন এছ সাৰদা জাহাজখনে শ্ৰীলংকাৰ কলম্বোলৈ ভ্ৰমণ সফলতাৰে সম্পন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰীলয়ে প্ৰকাশ কৰিছে যে ইয়াৰ জৰিয়তে ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ সামুদ্ৰিক সহযোগিতা তথা মিত্ৰতা অধিক শক্তিশালী হ'ব। এই ভ্ৰমণৰ সৈতে সংগতি ৰাখি শ্ৰীলংকা নৌবাহিনীৰ সৈতে বৃত্তিমূলক অনুশীলনমূলক তথা ক্ৰীড়ামূলক আলোচনাও সম্পন্ন হয়। শ্ৰীলংকাৰ নৌবাহিনীৰ পশ্চিম নৌ অঞ্চলৰ কমাণ্ডাৰ ৰাডম জগথ কুমাৰাই এই জাহাজখন পৰিদৰ্শন কৰি কৰ্মচাৰীসকলৰ সৈতে মত-বিনিময় কৰাৰ লগতে দেশ দুখনৰ মাজৰ শক্তিশালী সামুদ্ৰিক মিত্ৰতা পুনৰনিশ্চিত কৰে।

০০০০

আইচিচি মহিলা টি-২০ ক্ৰিকেট বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি বাৰ্মিংহামৰ এজবেষ্টনত এখন খেলত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ন হৈছে। টছত জিকি ভাৰতীয় দলটোৱে প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয়। মহিলা টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত পাকিস্তানৰ বিৰুদ্ধে সদায় উন্নত প্ৰদৰ্শন কৰি অহা ভাৰতে শেহতীয়া ১৬খন খেলৰ ভিতৰত ১৩খনতে জয়লাভ কৰিছে।

ইপিনে, বিশ্বকাপৰ গ্ৰুপ-বি' এখন খেলত কালি স্কটলেণ্ডে আয়াৰলেণ্ডক ৪০ ৰানত পৰাস্ত কৰে। স্কটলেণ্ডে মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত খেলখনত প্ৰথমে বেট ধৰি

নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৬১ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত আয়াৰলেণ্ডে ১৯ অ'ভাৰ আৰু ১ বলত আটাইকেইটা উইকেট হেৰুৱাই ১২১ ৰানহে কৰিবলৈ সমৰ্থ হয়।

০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা আমেৰিকাৰ হিউষ্টনত গ্ৰুপ-ইৰ এখন খেলত জাৰ্মানী, কুৰাকাওৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশত চাৰে ১০ বজাত অনুষ্ঠিত হ'ব। ইয়াৰ পাছত ডাল্লাছ ষ্টেডিয়ামত গ্ৰুপ-এফৰ আন এখন খেলত নেডাৰলেণ্ডছ জাপানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বয খেলখন মাজনিশা ডেৰ বজাত অনুষ্ঠিত হ'ব।

ইয়াৰ পূৰ্বে আজি গ্ৰুপ-ডিৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই তুৰস্কক ২-০ গ'লত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াৰ হৈ নেষ্ট'ৰী ইৰনকুণ্ডা আৰু ক'নৰ মেটকাফে একোটাকৈ গ'ল দিয়ে। ইয়াৰ পূৰ্বে স্কটলেণ্ডে আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউজাৰ্ছিত অনুষ্ঠিত প্ৰতিযোগিতাৰ গ্ৰুপ-চিৰ এখন খেলত হাইটিক ১-০ গ'লত পৰাস্ত কৰে। ইয়াৰ লগে লগে স্কটলেণ্ডৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত জয়ৰ ২৮ বছৰীয়া অপেক্ষাৰ অন্ত পৰে।

ইপিনে কাটাৰ আৰু ছুইজাৰলেণ্ডৰ মাজত ছান ফ্ৰেন্সিচকো বে' এৰিয়া ষ্টেডিয়ামত হোৱা গ্ৰুপ-বিৰ খেলখন ১-১ গ'লত ড্ৰ' হয়। খেলখনত বি এম্বলোৱে দিয়া গ'লেৰে ছুইজাৰলেণ্ডে অগ্ৰগতি লাভ কৰে যদিও খেলৰ অতিৰিক্ত সময়ত কাটাৰে এম মুহিমৰ গ'লেৰে সমতা স্থাপন কৰে।

০০০০

তুৰ্কীৰ এণ্টালিয়াত চলি থকা আৰ্চাৰী বিশ্বকাপ তৃতীয় যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাৰ ৰিকাৰ্ভ মিক্সড শাখাত আজি ভাৰতৰ ধীৰাজ বোম্মাদেৱাড়া আৰু কুমকুম মহ'ডে সোণৰ পদক লাভ কৰে। প্ৰতিযোগিতাৰ চূড়ান্ত খেলত ভাৰতীয় যুটীটোৱে দক্ষিণ কোৰিয়াৰ অ'হ ইয়ে জিন আৰু কিম জে ডেকক ৫-১ ব্যৱধানত পৰাস্ত কৰে। মিক্সড টীম শাখাত এয়া হৈছে ধীৰাজ আৰু কুমকুমৰ প্ৰথমটো বিশ্বকাপ সোণৰ মেডেল।

০০০০

সমাপ্ত